# EAM's Visit to Bahrain, UAE and Seychelles (November 24-29, 2020)

November 23, 2020

---

# বিদেশ বিষয়ক মন্ত্ৰীৰ বাহৰেইন, ইউ এ ই আৰু চেইচেল্লস ভ্ৰমণ (নৱেম্বৰ 24-29, 2020)

নৱেম্বৰ 23, 2020

বিদেশ বিষয়ক মন্ত্ৰী ডঃ এছ জয়শংকৰে বাহৰেইন, ইউ এ ই আৰু চেইচেল্লস ভ্ৰমণ কৰিব নৱেম্বৰ 24 পৰা 29, 2020 লৈকে। এই ভ্ৰমণত তেওঁ এই দেশসমূহৰ নিজৰ প্ৰতিৰূপ আৰু উচ্চ নেতৃত্বৰ সৈতে সাক্ষাৎ কৰিব।

নৱেম্বৰ 24-25 তাৰিখে বাহৰেইন ভ্ৰমণ হ'ব বিদেশ বিষয়ক মন্ত্ৰী হিচাপে ডঃ এছ জয়শংকৰৰ সেই দেশখনলৈ প্ৰথম ভ্ৰমণ। তেওঁ ব্যক্তিগতভাৱে চৰকাৰ আৰু ভাৰতৰ জণগণৰ ফালৰ পৰা বাহৰেইনী নেতৃত্বক সমবেদনা জ্ঞাপন কৰিব নৱেম্বৰ 11 তাৰিখে বাহৰেইনৰ প্ৰধানমন্ত্ৰী মহামান্য ৰাজকুমাৰ খালিফা বিন চালমান আল খালিফা দুখজনক নিধনৰ। তেওঁ পাৰস্পৰিক ৰুচিৰ আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ ওপৰত আলোচনাও কৰিব। বাহৰেইনত প্ৰায় 350,000 ভাৰতীয় আছে আৰু দুয়োখন দেশে একেলগে কাম কৰিছে কোভিড-19 মহামাৰীৰ বিৰুদ্ধে যুঁজিবলৈ। দুয়োখন দেশৰ মাজত ফ্লাইট সেৱা অব্যাহত আছে এক এয়াৰ বাবোল ব্যৱস্থাৰ অধীনত।

বিদেশ বিষয়ক মন্ত্ৰীয়ে ইউ এ ই ভ্ৰমণ কৰিব 25-26 তাৰিখে। তেওঁ ইউ এ ই-ৰ বিদেশ মন্ত্ৰী, মহামান্য শ্বেখ আব্দুল্লাহ বিন জায়েদ আল নাহয়ানক নৱেম্বৰ 26 তাৰিখে ল'গ কৰিব। দুয়োজন নেতাই আমাৰ বিস্তীৰ্ণ কৌশলগত আংশীদাৰীত্বৰ অধীনৰ ভাৰত আৰু ইউ এ ই-ৰ সুন্দৰ সহযোগ আগবঢ়াই নিব আৰু বিভিন্ন আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয়ৰ ওপৰত আলোচনা কৰিব। বিদেশ বিষয়ক মন্ত্ৰীয়ে প্ৰাক-কোভিড পৰিস্থিতিত ভাৰতীয় কৰ্মীসকলে ইউ এ ই-ত নিজৰ চাকৰি পুনৰ কৰাৰ ধৰণ আলোচনা কৰিব। প্ৰায় 3 নিযুতকৈ অধিক ভাৰতীয়ই ইউ এ ই-ত থাকে আৰু কাম কৰে।

ভাৰত আৰু ইউ এ ই-য়ে কোভিড-19 মহামাৰীৰ সময়ত ঘনিষ্ঠ উচ্চ-স্তৰৰ যোগাযোগ ৰক্ষা কৰিছে। প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আবু ধাবিৰ ৰাজকুমাৰ মহামান্য শ্বেখ মহম্মদ বিন জায়েদ আল নাহয়ানৰ সৈতে মহামাৰীৰ সময়ত কথা পাতিছিল। বিদেশ বিষয়ক মন্ত্ৰীয়েও ইউ এ ই বিদেশ মন্ত্ৰীৰ সৈতে যোৱা কেইমাহত বহুবাৰ কথা পাতিছে। তেওঁলোকে ভাৰত-ইউ এ ই যুটীয়া পৰিষদ বৈঠকো সহ-সভাপতিত্ব কৰিছিল চেপ্তেম্বৰ 2020ত। বিনিয়োগৰ উচ্চ স্তৰৰ কাৰ্য দলৰ (এইছ এল টি এফ আই) বৈঠক নৱেম্বৰৰ আগ ভাগত আমাৰ বাণিজ্য আৰু উদ্যোগ আৰু ৰেলসেৱা মন্ত্ৰী আৰু আবু ধাবি বিনিয়োগ কৰ্তৃপক্ষই (এ ডি আই এ) সহ-সভাপতিত্ব কৰিছিল।

তেওঁৰ যাত্ৰাৰ অন্তিম ভাগত, বিদেশ বিষয়ক মন্ত্ৰীয়ে চেইচেল্লস ভ্ৰমণ কৰিব 27-28 নৱেম্বৰ 2020 তাৰিখে। মন্ত্ৰীজনে চেইচেল্লসৰ নতুনকৈ নিৰ্বাচিত ৰাষ্ট্ৰপতি মহামান্য মিঃ ৰেভেল ৰামকালাৱানক ল'গ কৰিব প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰিবলৈ আৰু তেখেতৰ লগত নতুন চৰকাৰৰ অগ্ৰাধিকাৰ আৰু ভাৰত-চেইচেল্লস দ্বিপক্ষীয় সম্পৰ্ক শক্তিশালী কৰাৰ উপায় আলোচনা কৰিবলৈ। বিদেশ বিষয়ক মন্ত্ৰীয়ে নতুনকৈ নিযুক্ত বিদেশ বিষয়ক আৰু পৰ্যটন মহামান্য চিলভেষ্ট্ৰে ৰাডেগণ্ডেকৰ সৈতে দ্বিপক্ষীয় আলোচনা কৰিব।

**নতুন দিল্লী**
**নৱেম্বৰ 23, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.